আৰব ভূখণ্ডত মুচল্লিসকলে চয়তানৰ ইবাদত কৰাৰ বিষয়ত চয়তান হতাশ হৈ পৰিছে। কিন্তু সিহঁতক উচটনি দিয়াৰ ক্ষেত্ৰত নিৰাশ হোৱা নাই।

জাবিৰ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ মই নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা শুনিছোঁ তেখেতে কৈছেঃ "আৰব ভূখণ্ডত মুচল্লিসকলে চয়তানৰ ইবাদত কৰাৰ বিষয়ত চয়তান হতাশ হৈ পৰিছে। কিন্তু সিহঁতক উচটনি দিয়াৰ ক্ষেত্ৰত নিৰাশ হোৱা নাই।" [ছহীহ] [(মুছলিম)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত জনাইছে যে, ইবলীছ এই বিষয়ত হতাশ হৈ পৰিছে যে, আৰব উপদ্বীপত হয়তো কেতিয়াও মুমিনসকলে তাৰ উপসনাত তথা মূৰ্ত্তি পূজাত লিপ্ত নহ'ব। কিন্তু সি ইয়াৰ চেষ্টা সদায় কৰি থাকিব। লগতে সিহঁতক পৰস্পৰে বিবাদত লিপ্ত হ'বলৈ আৰু বিদ্বেষ তথা শত্ৰুতা পোষণ কৰিবলৈ উচটনি দিয়াৰ প্ৰচেষ্টা অব্যাহত ৰাখিব। এইদৰে সিহঁতৰ মাজত যুদ্ধ বিগ্ৰহ ফিতনা ফাছাদ আদিৰ চেষ্টা জাৰি ৰাখিব।

http://sunnah.global/hadeeth/as/show/8886